**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰিব। তিনিদিনীয়াকৈ হ'বলগীয়া এই মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ সংস্কৃতি, চহকী বস্ত্ৰশিল্প, শিল্পকলা আৰু পৰ্যটনৰ প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মীৰূপে পৰিচিত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিক্কিম আৰু ত্ৰিপুৰাই দেশৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱত ২৫০ গৰাকীতকৈ অধিক শিল্পীয়ে হস্তশিল্প, বস্ত্ৰ আৰু কৃষি তথা উদ্যান শস্যৰ জি আই টেগ লাভ কৰা ৩৪ বিধ সা-সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰিব। এই অনুস্থানৰ সৈতে সংগতি ৰাখি ফেশ্বন শ্ব', ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন আদিৰো আয়োজন কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৩২০ গৰাকী কৃষক আৰু শিল্পীৰ সা-সামগ্ৰী প্ৰদৰ্শন হ'বলগীয়া গ্ৰাম্য হাট বজাৰ এই মহোৎসৱৰ বিশেষ আকৰ্ষণ। উল্লেখযোগ্য যে এই মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী, উদ্যোগীসকলক নতুন সুযোগ প্ৰদান কৰিব।

০০০০০০

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে কাইলৈ অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। চাৰিগৰাকী বিধায়কে কাইলৈ দিনৰ ১২ বজাত মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ভাৰতীয় জনতা পাৰ্টিৰ চাৰিজন বিধায়ক অসম কেবিনেটত অন্তৰ্ভুক্ত হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সযোগে এই কথা প্ৰকাশ কৰিছে। নতুন মন্ত্ৰীসকল হ'ব ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰীয়ে বাৰ্তাযোগে মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত হ'বলগীয়া বিধায়ককেইগৰাকীক আগতীয়া শুভেচ্ছা জ্ঞাপন কৰিছে। ইফালে চাহ জনজাতি উন্নয়ন মন্ত্ৰী সঞ্জয় কিষাণে মন্ত্ৰী পদ ত্যাগ কৰে বুলি জানিব পৰা গৈছে।

০০০০০০

বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কয়, যে অনাগত সময়ত উত্তৰ-পূব ভাৰত দক্ষিণ-পূব এছিয়াৰ উন্নয়নৰ কেন্দ্ৰ হোৱাৰ সম্ভাৱনা আছে। **উত্তৰ-পূৰ্বাঞ্চলক সৱলীকৰণ-পৰিৱৰ্তনশীল দশকৰ দিশত আত্মনিৰ্ভৰ ভাৰত**– বিষয়ক এখন সংবাদমেল সম্বোধন কৰি শ্ৰী সোণোৱালে কয়, যে চৰকাৰৰ এক্টইষ্ট নীতি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত উত্তৰ-পূব ভাৰতৰ এটা মুখ্য ভূমিকা আছে। চৰকাৰে তৃণমূল পৰ্যায়ত গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৬০ বাৰতকৈও বেছি উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিছে। অন্যহতে প্ৰতি ১৫ দিনৰ মূৰে মূৰে বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰি আহিছে। তেওঁ লগতে কয়, যে এই পদক্ষেপে জনসাধাৰণক সৱলীকৰণ কৰাৰ লগতে অঞ্চলটোলৈ শান্তি আৰু স্থিৰতা আনিছে। শ্ৰী সোণোৱালে আৰু

কয়, যে বিকশিত ভাৰত ২০৪৭ৰ অভিযান বাস্তৱ কৰাৰ লগতে আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে মুখ্য ভূমিকা গ্ৰহণ কৰিব।

০০০০০০

অসম ৰাজ্যিক আইন সেৱা প্ৰাধীনকৰণৰ নিৰ্দেশত আৰু হোজাই জিলা আইন সেৱা প্ৰাধীকৰণৰ উদ্যোগত হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত অহা ১৪ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে সেই দিনটোত ন্যায়িক আদালতত আপোচ যোগ্য বিভিন্ন গোচৰ যেনে- ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয় নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি বেংকৰ লেন-ডেন, ঋণ সম্বন্ধীয় গোচৰ, আদালত সম্বন্ধীয় বিবাদসমূহো নিষ্পত্তি কৰণৰ ব্যৱস্থা কৰা হৈছে। অহা ১৪ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতত জিলা আইন সেৱা প্ৰাধীকৰণে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

বেংগালুৰুৰ কোৰামংগালা ইন্দোৰ ষ্টেডিয়ামত আজিৰেপৰা চিনিয়ৰ ৰাষ্ট্ৰীয় মল্লযুদ্ধ প্ৰতিযোগিতা আৰম্ভ হ'ব। দেশৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ মল্লযোদ্ধাসকলে এই প্ৰতিযোগিতাত ভাগ ল'ব। এই প্ৰতিযোগিতাত দেশৰ ২৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে অংশগ্ৰহণ কৰিব। সমগ্ৰ দেশৰ ৭০০তকৈও অধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত ভাগ ল'ব। হাৰিয়ানাৰ ২৮ গৰাকী মল্লযোদ্ধাই বিভিন্ন শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আয়োজক ৰাজ্য কৰ্ণাটকৰ ৩২ গৰাকী খেলুৱৈয়ে ভাগ ল'ব। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা উল্লেখযোগ্য খেলুৱৈসকলৰ ভিতৰত ২৩ বছৰ অনুৰ্ধ্বৰ এছিয়ান চেম্পিয়নশ্বিপত স্বৰ্ণপদক বিজয়ী মণিপুৰৰ ৰাই মিনাক্ষী দেৱী, হাৰিয়ানাৰ জ্যোতি, অৰ্জুন বঁটাপ্ৰাপক তথা এছিয়ান গেমৰ পদক বিজয়ী হাৰিয়ানাৰ সুনীল দবাৰপুৰিয়া অন্যতম।

০০০০০০

সমাপ্ত